# **NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-04-2024
**Time :** 1340 Hrs.

## ***Assamese Midday Bulletin***
## ***HEADLINES***

১। প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি অন্তিম দিন।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে এন ডি এ চৰকাৰে ইয়াৰ আঁচনিসমূহত কোনো ধৰণৰ ভেদাভেদ নাৰাখে।

৩। চতুৰ্থ পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কাইলৈ অধিসূচনা জাৰি কৰা হ'ব।

৪। ম্যানমাৰৰ কাৰাৰুদ্ধ নেত্ৰী আং চান ছ্যু কীক স্বাস্থ্যজনিত কাৰণত গৃহবন্দিত্বৰ পৰা মুক্তি দিয়া হৈছে।

আৰু

৫। আই পি এল প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত গুজৰাট টাইটানছ দেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০০

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি অন্তিম দিন। আজি বিয়লি ৫ বজাত এই পৰ্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযানৰ সামৰণি পৰিব। এনে প্ৰেক্ষাপটত সকলো ৰাজনৈতিক দল আৰু নেতৃবৰ্গ ভোটদাতাসকলক আকৰ্ষিত কৰাৰ বাবে শেষ চেষ্টাত ব্ৰতী হোৱা পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে আজি প্ৰধানমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা নেৰন্দ্ৰ মোদীয়ে নলবাৰীত এখন নিৰ্বাচনী সভাত অংশ লয়। নলবাৰীত এন ডি এ প্ৰাৰ্থীৰ হৈ বিজয় সংকল্প সমাবেশত শ্ৰী মোদীয়ে এই সভাতে প্ৰচাৰ চলায়। এইটো পৰ্যায়ত অহা ১৯ এপ্ৰিলত হ'বলগীয়া নিৰ্বাচনৰ বাবে দেশৰ ১৭খন ৰাজ্য আৰু ৪খন কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১০২ টা লোকসভা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া সমষ্টিসমূহৰ ভিতৰত আছে তামিলনাডুৰ ৩৯টা, ৰাজস্থানৰ ১২টা, উত্তৰপ্ৰদেশৰ ৮টা, মধ্যপ্ৰদেশৰ ৬টা, অসম, উত্তৰাখণ্ড আৰু মহাৰাষ্ট্ৰৰ ৫টাকৈ, বিহাৰৰ ৪টা, পশ্চিমবংগৰ ৩টা, অৰুণাচল প্ৰদেশ, মণিপুৰ আৰু মেঘালয়ৰ ২টাকৈ আৰু মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা, ছিকিম, ছত্তিশগড়, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, জম্মু আৰু কাশ্মীৰ, লাক্ষাদ্বীপ আৰু পুডুচেৰীৰ এটাকৈ সমষ্টি।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে এন ডি এ চৰকাৰে ইয়াৰ আঁচনিসমূহত কোনো ধৰণৰ ভেদাভেদ নাৰাখে। নলবাৰীত আজি অনুষ্ঠিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দি উন্নয়নৰ নিশ্চয়তা প্ৰদান কৰি শ্ৰীমোদীয়ে কয় যে ভাৰতীয় জনতা পাৰ্টীয়ে চবকা চাথ আৰু চবকা বিকাশৰ মন্ত্ৰত বিশ্বাস কৰি আহিছে। দৰিদ্ৰ আৰু অভাৱগ্ৰস্ত প্ৰতিগৰাকী লোকৰ বাবে বিনামূলীয়া খাদ্যশস্যৰ যোগান নিশ্চিত কৰাৰ লগতে পৰবৰ্তী ৫টা বছৰত দেশৰ দৰিদ্ৰ লোকৰ বাবে ৩কোটি বাসগৃহ নিৰ্মাণৰ প্ৰতিশ্ৰুতি আগবঢ়াই তেওঁ কয় যে বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে ইয়াৰ জনকল্যানমূল আচঁনি সমূহৰ দ্বাৰা সকলোকে সামৰি লবলৈ আৰু দেশৰ প্ৰতিজন লোককে উপকৃত কৰিবলৈ বিচাৰে। শ্ৰীমোদীয়ে লগতে কয় যে বিজেপিৰ সংকল্প পত্ৰৰ জৰিয়তে ৭০ বছৰৰ উৰ্ধৰ প্ৰতিগৰাকী লোককে আয়ুষ্মান ভাৰত আচঁনিৰ অধীনত সামৰি লোৱাৰ প্ৰতিশ্ৰুতি

হৈছে। এই আচঁনিৰ অধীনত এনে লোকসকলৰ বাবে ৫ লাখ টকাকৈ স্বাস্থ্য বীমাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা বুলিও তেওঁ প্ৰকাশ কৰে।

আনহাতে কংগ্ৰেছ দলে অসম তথা উত্তৰপূৰ্বাঞ্চলৰ প্ৰতি অৱহেলাৰ দৃষ্টিভংগী গ্ৰহণ কৰি অহা বুলি অভিযোগ কৰি তেওঁ কয় যে বিগত ১০টা বছৰত অসমকে ধৰি উত্তৰ পূৰ্বৰ ৰাজ্যসমূহ উন্নয়নৰ পথত দ্ৰুত গতিত আগবাঢ়ি গৈছে। অসমৰ জৈৱ বৈচিত্ৰ আৰু সংস্কৃতি অতিশয় সমৃদ্ধিশালী বুলি উল্লেখ কৰি এনে বিষয়সমূহক বিশ্ব দৰবাৰলৈ লৈ যোৱাৰ লগতে অসমক ছেমী কনডাক্টৰ উৎপাদনৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলা হ'ব বুলি তেওঁ প্ৰতিশ্ৰুতি দিয়ে।

ooooo

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কয় যে সমগ্ৰ দেশে এক জাতি, এক নিৰ্বাচনৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছে। হিন্দী দৈনিক এখনক দিয়া এক সাক্ষাৎকাৰত শ্ৰী মোদীয়ে কয় যে এক জাতি এক নিৰ্বাচনৰ উচ্চস্তৰীয় সমিতিখনে ইতিবাচক পৰামৰ্শ লাভ কৰিছে। তেওঁ লগতে কয় যে এই ব্যৱস্থা কাৰ্যকৰী হ'লে দেশ বহুমাত্ৰিকভাৱে লাভৱান হ'ব। কাকতখনে সোধা প্ৰশ্নৰ উত্তৰত মোদীয়ে কয় যে ভাৰতক বিশ্বৰ প্ৰতিটো উদীয়মান খণ্ডৰ বাবে গোলকীয় কেন্দ্ৰ হিচাপে গঢ়ি তোলাটো তেওঁৰ দলৰ সংকল্প। তেওঁ কয় যে তেওঁলোকে সপ্তাহৰ সাত দিন ২৪ ঘন্টাই দেশৰ উন্নয়নৰ বাবে কঠোৰ চেষ্টা চলাই আছে।

00000

দেশৰ বিভিন্ন প্ৰান্তত আজি ৰাম জন্মোৎসৱ পালন কৰা হৈছে। এই উপলক্ষ্যে অযোধ্যাত অগণন ভক্তৰ সমাগম ঘটা দেখা গৈছে। শ্ৰী ৰাম জন্মভূমি তীৰ্থ ক্ষেত্ৰ ন্যাসে পাঁচ শতিকাজোৰা সংগ্ৰামৰ অন্তত নিৰ্মাণ হৈ উঠা ৰাম মন্দিৰত ৰামলালাৰ জয়ন্তীৰ দিনটো অবিস্মৰণীয় কৰি তোলাৰ লক্ষ্যৰে বিশেষ প্ৰস্তুতি গ্ৰহণ কৰিছে।

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনকৰ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও আজি ৰাম জন্মোৎসৱ উপলক্ষ্যে দেশবাসীলৈ শুভেচ্ছা বাৰ্তা প্ৰেৰণ কৰে।

oooo

চতুৰ্থ পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কাইলৈ অধিসূচনা জাৰি কৰা হ'ব। এইটো পৰ্যায়ত দেশৰ ৯খন ৰাজ্য আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৬টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। চতুৰ্থ পৰ্যায়ত অন্ধ্ৰপ্ৰদেশৰ ২৫টা আৰু তেলেংগানাৰ ১৭ টা লোকসভা সমষ্টিৰ আটাইকেইটাৰ লগতে উত্তৰ প্ৰদেশৰ ১৩টা, মহাৰাষ্ট্ৰৰ ১১টা, মধ্যপ্ৰদেশ আৰু পশ্চিমবংগৰ ৮টাকৈ, বিহাৰৰ ৫টা, ঝাৰখণ্ড আৰু উৰিষ্যাৰ ৪টাকৈ আৰু জম্মু আৰু কাশ্মীৰৰ ১টা লোকসভা সমষ্টিৰ বাবে

ভোটগ্ৰহণ কৰা হ'ব। অহা ১৩ মে'ত ভোটগ্ৰহণ হ'বলগীয়া এইটো পৰ্যায়ৰ নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন হ'ল অহা ২৫ এপ্ৰিল।

আনহাতে এটা পৰ্যায়তে সম্পন্ন হ'বলগীয়া অন্ধ্ৰপ্ৰদেশ বিধানসভাৰ নিৰ্বাচনৰ লগতে ওড়িশাৰ প্ৰথম পৰ্যায়ৰ বিধানসভাৰ নিৰ্বাচনৰ বাবেও কাইলৈ অধিসূচনা জাৰি কৰা হ'ব।

oooooo

নিৰ্বাচন আয়োগে বি আৰ এছ দলৰ সভাপতি তথা তেলেংগানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কে চন্দ্ৰশেখৰ ৰাওৰ বিৰুদ্ধে আৰ্হি আচৰণ বিধি উলংঘন সন্দৰ্ভত এখন জাননী জাৰি কৰিছে। উল্লেখযোগ্য যে তেলেংগানাৰ ছিৰ্ছিলাত যোৱা ৫ এপ্ৰিলত অনুষ্ঠিত এখন সংবাদ মেলত শ্ৰীৰাৱে কংগ্ৰেছৰ বিৰুদ্ধে আপত্তিজনক মন্তব্য প্ৰকাশ কৰা বুলি দলটোৱে অভিযোগ কৰিছে। নিৰ্বাচন আয়োগে এই সন্দৰ্ভত জাৰি কৰা জাননী প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীক তেওঁৰ এই মন্তব্যৰ বিষয়টোক লৈ কাইলৈৰ ভিতৰত নিজৰ স্থিতি ব্যাখ্যা কৰিবলৈ নিৰ্দেশ দিছে। আয়োগে লগতে তেলেংগানাৰ মুখ্য নিৰ্বাচনী বিষয়াগৰাকীকো এই সন্দৰ্ভত এখন তথ্য সমৃদ্ধ প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে।

ooooooo

ম্যানমাৰৰ কাৰাৰূদ্ধ নেত্ৰী আং চান ছ্যু ছীক স্বাস্থ্যজনিত কাৰণত গৃহবন্দিত্বৰ পৰা মুক্তি দিয়া হৈছে। দেশখনৰ সামৰিক চৰকাৰে প্ৰকাশ কৰা মতে সম্প্ৰতি চলি থকা উষ্ণ প্ৰৱাহৰ পৰিপ্ৰেক্ষিতত নেত্ৰীগৰাকীক মুক্তিদানৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। প্ৰচণ্ড উষ্ণতাৰ প্ৰতি লক্ষ্য ৰাখি দেশখনৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী ছ্যু কীৰ লগতে প্ৰাক্তন ৰাষ্ট্ৰপতি ৱিন মিণ্ট আৰু আন কেই গৰাকীমান বয়োজ্যেষ্ঠ ব্যক্তি সম্প্ৰতি বন্দিত্বৰ পৰা মুক্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে।

দেশখনৰ সামৰিক বিভাগৰ এগৰাকী মুখপাত্ৰই কালি বিদেশৰ সংবাদ মাধ্যমৰ প্ৰতিনিধিক জানিবলৈ দিয়া মতে ৭৮ বছৰ বয়সীয়া ছ্যু কী আৰু ৭২ বছৰীয়া ৱিন মিণ্টক ইতিমধ্যে বন্দিত্বৰ পৰা মুক্তি দিয়া হৈছে। উল্লেখযোগ্য যে কেইবাটাও অপৰাধমূলক গোচৰত দোষী সাব্যস্ত কৰি ম্যানমাৰৰ প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকী বিগত ২৭বছৰ ধৰি কাৰাৰুদ্ধ ৰখা হৈছিল। আনহাতে নেত্ৰীগৰাকীৰ এই বন্দিত্বক ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত বুলি তেওঁৰ সমৰ্থকসকলে অভিযোগ কৰি আহিছিল। একেদৰে দেশখনৰ প্ৰক্তন ৰাষ্ট্ৰপতি ৱিন মিণ্টে বিগত ৮বছৰ ধৰি কাৰাবাস খাতি আহিছিল।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দেশৰ ভূতপূৰ্ব প্ৰধানমন্ত্ৰী চন্দ্ৰশেখৰৰ জন্ম বাৰ্ষিকী উপলক্ষ্যে তেওঁলৈ শ্ৰদ্ধা নিবেদন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত চন্দ্ৰশেখৰক এগৰাকী আদৰ্শনীয় নেতা বুলি অভিহিত কৰি শ্ৰীমোদীয়ে কয় যে তৃণমূলৰ পৰা নিজৰ উত্থান ঘটোৱা এই নেতাগৰাকীয়ে দেশৰ উন্নতিৰ প্ৰতি উল্লেখনীয় বৰঙণি আগবঢ়াই থৈ গৈছে। দৰিদ্ৰ আৰু পিছপৰা শ্ৰেণীৰ জনসাধাৰণৰ প্ৰতি সেৱা আগব ঢ়োৱাত আৰোপ কৰা গুৰুত্বৰ বাবে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকী চিৰস্মৰণীয় হৈ ৰ'ব বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে লগতে কয় যে জৰুৰীকালীন অৱস্থাক প্ৰতিহত কৰা আৰু আমাৰ দেশৰ গণতান্ত্ৰিক প্ৰমূল্যবোধক সুৰক্ষিত কৰাৰ ক্ষেত্ৰতো তেওঁ অগ্ৰণী ভূমিকা পালন কৰিছিল।

ooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুজৰাট টাইটানছ দেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন উত্তেজনাপূৰ্ণ খেলত ৰাজস্থান ৰয়েলছে কলকাতা নাইট ৰাইডাৰ্ছক ২ উইকেটত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি কলকাতাই নিৰ্ধাৰিত ২০ অ'ভাৰত ৬টা উইকেট হেৰুৱাই ২২৩ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ সুনীল নাৰিনে ৫৬টা বলত ১০৯ ৰানৰ বৰঙণি আগবঢ়ায়। ৰাজস্থানৰ আবেশ খান আৰু কুলদ্বীপ সিঙে দুটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত ৰাজস্থান ৰয়েলছে জছ

বাটলাৰৰ অপৰাজিত শতকৰ সহায়েৰে ইনিংছৰ অন্তিমটো বলত বিজয় লক্ষ্য অতিক্ৰম কৰে। দলটোৰ হৈ ৰিয়ান পৰাগে ১৪টা বলত ৩৪ ৰানৰ বৰঙণি আগবঢ়ায়। কলকাতাৰ হৰ্ষিত ৰাণা, সুনীল নাৰিন আৰু বৰুণ চক্ৰৱৰ্তীয়ে দুটাকৈ উইকেট দখল কৰে। খেলখনত আগবঢ়োৱা অনবদ্য প্ৰদৰ্শনৰ বাবে জছ্ বাটলাৰক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। কালিৰ খেলৰ অন্তত ৰাজস্থান ৰয়েলছ্ সম্প্ৰতি ১২ পইণ্টেৰে পইণ্ট তালিকাৰ শীৰ্ষস্থানত থকাৰ বিপৰীতে ৮ পইণ্ট আৰু উন্নত নেট ৰান ৰেটৰ ভিত্তিত কলকাতাৰ দলটো দ্বিতীয় স্থানত আছে।

oooooo

সমাপ্ত